NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

০০০০০০০০০

১। বিদেশ মন্ত্ৰ্যালয়ে কৈছে যে, ডেমচ'ক আৰু ডেপচাঙত ভাৰত আৰু চীনে পাৰস্পৰিক চুক্তি অনুসৰি টহল আৰম্ভ কৰিছে।

২। ভাৰতে কানাডাৰ উপ-মন্ত্ৰী ডেভিদ মৰিছনে ৰাজহুৱা সুৰক্ষা আৰু ৰাষ্ট্ৰীয় সুৰক্ষা সম্পৰ্কীয় স্থায়ী কমিটিৰ সন্মুখত গৃহ মন্ত্ৰী অমিত শ্বাহৰ প্ৰসংগ উল্লেখ কৰাক লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে।

৩। বিজেপিয়ে কৈছে যে, কংগ্ৰেছ যিখন ৰাজ্যত ক্ষমতালৈ আহে, সেইখন ৰাজ্য আৰ্থিক জটিলতাৰ সন্মুখীন হয়।

৪। কাশ্মীৰ উপত্যকাৰ অনন্তনাগ জিলাত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত দুজন সন্ত্ৰাসবাদী নিহত হৈছে।

***আৰু***

৫। নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে মুম্বাই টেষ্টৰ আজি দ্বিতীয় দিনা ৯ উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত ১৭১ ৰাণ সংগ্ৰহ কৰে।

০০০০০০০০০

বিদেশ মন্ত্ৰ্যালয়ে কৈছে যে, ডেমচ'ক আৰু ডেপচাঙত ভাৰত আৰু চীনে পাৰস্পৰিক চুক্তি অনুসৰি টহল আৰম্ভ কৰিছে। নতুন দিল্লীত আজি বিয়লি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বিদেশ মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে, ভাৰত আৰু চীনে সীমান্তৰ পৰা সৈন্য প্ৰত্যাহাৰ অন্তিম পৰ্য্যায় সন্দৰ্ভত ২১ অক্টোবৰত সহমত প্ৰকাশ কৰিছিল। মুখপাত্ৰগৰাকীয়ে কয় যে, কাজানত অলপতে অনুষ্ঠিত উভয় দেশৰ নেতৃবৰ্গৰ মাজৰ বৈঠকত প্ৰকাশ কৰা সহমত অনুসৰি দুয়ো দেশৰ বিদেশ মন্ত্ৰী আৰু অন্য বিষয়া পৰ্য্যায়ৰ আলোচনাৰ ভিত্তিত চীনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক পুনৰ গঢ়ি তোলা হ'ব।

ভাৰতীয় কোম্পানীৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা সন্দৰ্ভত শ্ৰীজয়ছোৱালে কয় যে, সামৰিক ব্যৱসায় আৰু অস্ত্ৰৰ প্ৰসাৰ নিয়ন্ত্ৰণ সন্দৰ্ভত ভাৰতৰ আইনী আৰু নিয়ন্ত্ৰণ ব্যৱস্থা আছে। ভাৰত বহুজাতিক অস্ত্ৰৰ ৰপ্তানি

নিয়ন্ত্ৰণ ব্যৱস্থা সম্পৰ্কীয় তিনিখন চুক্তিৰ সদস্য। এই চুক্তিৰ ভিতৰত ৱাচেনাৰ চুক্তি, অষ্ট্ৰেলিয়া গোট আৰু ক্ষেপণাস্ত্ৰ প্ৰযুক্তি নিয়ন্ত্ৰণ চুক্তি আছে। তেওঁ কয় যে, ভাৰতে অনুমোদিত লেন-দেন আৰু ভাৰতীয় কোম্পানীসমূহে কোনো দেশৰ আইন উলংঘা কৰা নাই। এই সকলোবোৰ বিষয়ৰ সমাধানৰ বাবে ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিষয়াসকলৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি আছে।

কানাডাত দীপাৱলী উদযাপন বাতিল কৰাটো দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰি মুখপাত্ৰগৰাকীয়ে কয় যে, কানাডাত অহিষ্ণুতা আৰু উগ্ৰবাদ চৰম পৰ্য্যায়ত উপনীত হৈছে।

ভিছা সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত ড০ জয়ছোৱালে কয় যে, নতুন দিল্লী মহলে সম্প্ৰতি কানাডাত থকা বিদ্যাৰ্থী আৰু অস্থায়ী শ্ৰমিকসকলৰ কল্যাণৰ বিষয়টো নিৰীক্ষণ কৰি আছে।

০০০০০০০০০

ভাৰতে কানাডাৰ উপ-মন্ত্ৰী ডেভিদ মৰিছনে ৰাজহুৱা সুৰক্ষা আৰু ৰাষ্ট্ৰীয় সুৰক্ষা সম্পৰ্কীয় স্থায়ী কমিটিৰ সন্মুখত গৃহ মন্ত্ৰী অমিত শ্বাহৰ প্ৰসংগ উল্লেখ কৰা বিষয় লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে কালি কানাডাৰ উচ্চায়ুক্তৰ প্ৰতিনিধিক সম্বোধন কৰি ভাৰতে কৰা প্ৰতিবাদৰ কথা অৱগত কৰে। বিদেশ মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে আজি বিয়লি নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি কয় যে, যোৱা ২৯ অক্টোবৰত অট'ৱাত স্থায়ী সমিতিৰ কাৰ্য্যবিধি সম্পৰ্কে এটা কূটনৈতিক টোকা প্ৰদান কৰা হয়। তেওঁ কয় যে, কানাডাৰ উচ্চ পৰ্য্যায়ৰ বিষয়াসকলে ইচ্ছাকৃতভাৱে আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত ভিত্তিহীন ইংগিত প্ৰকাশ কৰাটোৱে বৰ্তমানৰ কানাডা চৰকাৰৰ ৰাজনৈতিক এজেণ্ডা আৰু আচৰণৰ আৰ্হিৰ প্ৰতি ভাৰতৰ দৃষ্টিভংগী নিশ্চিত কৰে। এনে দায়িত্বহীন কাৰ্য্যই দুয়োখন দেশৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্কৰ অৱনতি ঘটিব পাৰে বুলি তেওঁ সঁকিয়াই দিয়ে। ভাৰতীয় বিষয়াসকলৰ ওপৰত কানাডাই চলোৱা চোৰাংচোৱাগিৰি সন্দৰ্ভত শ্ৰীজয়ছোৱালে কয় যে, ভাৰতৰ একাংশ কনচুলাৰ বিষয়াক শেহতীয়াকৈ কানাডা চৰকাৰে জনাইছিল যে, তেওঁলোক অডিঅ' আৰু ভি ডি অ' চোৱাচিতাৰ অধীনত আছিল আৰু আছে। মুখপাত্ৰগৰাকীয়ে লগতে কয় যে, ভাৰতে আনুষ্ঠানিকভাৱে কানাডা চৰকাৰৰ প্ৰতি প্ৰতিবাদ সাব্যস্ত কৰে, কিয়নো নতুন দিল্লীয়ে এই কাৰ্য্যক প্ৰাসঙ্গিক, কূটনৈতিক আৰু কনচুলাৰ চুক্তি উলংঘা কৰে বুলি গণ্য কৰে। তেওঁ লগতে কয় যে, কূটনৈতিক আৰু কনচুলাৰ কৰ্মীসকলে ইতিমধ্যে উগ্ৰবাদৰ পৰিৱেশত কাম কৰি আছে। তেওঁ কয় যে, কানাডা চৰকাৰৰ এই কাৰ্য্যই পৰিস্থিতি আৰু অধিক ভয়াবহ কৰি তুলিব আৰু ই পৰম্পৰাৰ বিৰোধী।

০০০০০০০০০

বিজেপিয়ে কৈছে যে, কংগ্ৰেছ যিখন ৰাজ্যত ক্ষমতালৈ আহে, সেইখন ৰাজ্য আৰ্থিক জটিলতাৰ সন্মুখীন হয়। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ মুখপাত্ৰ ড০ সুধাংশু ত্ৰিবেদীয়ে কংগ্ৰেছ শাসিত ৰাজ্যসমূহৰ আৰ্থিক স্থিতি ক্ৰমান্বয়ে বেয়াৰ পিনে ঢাল খোৱা বুলি অভিযোগ তোলে। তেওঁ কয় যে, হিমাচল প্ৰদেশত কংগ্ৰেছ চৰকাৰৰ ওচৰত কৰ্মচাৰীক দৰমহা আদায়ৰ বাবেও পৰ্য্যাপ্ত ধন নাই আৰু কৰ্ণাটকৰ পৰিস্থিতিও অনুৰূপ। কংগ্ৰেছক সমালোচনা কৰি মুখপাত্ৰগৰাকীয়ে কয় যে, কংগ্ৰেছ কোনো প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ সমৰ্থ নহয়। ড০ ত্ৰিবেদীয়ে কয় যে, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বিবৃতিৰ পৰা দলটোৰ হাতলৈ ধন গ'লে সেই সম্পদ জনসাধাৰণৰ বাবে সম্পদ আৰু সমৃদ্ধি হোৱাৰ পৰিৱৰ্তেযে বিপৰ্য্যয়ৰূপেহে

পৰিগণিত হয় সেয়া স্পষ্ট হৈ পৰিছে। তেওঁ কয় যে, জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰাৰ পৰিৱৰ্তে কংগ্ৰেছ দলে ক্ষমতালৈ আহিলে ধন লুণ্ঠন কৰে আৰু জনসাধাৰণক বুনিয়াদী সুবিধাৰ পৰা বঞ্চিত কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকৰ্জুন খাৰ্গেই কৰ্ণাটকৰ শাসনাধিষ্ঠিত কংগ্ৰেছ চৰকাৰক আৰ্থিকভাৱে ৰূপায়ণ কৰিব পৰা ধৰণৰহে প্ৰতিশ্ৰুতি প্ৰদান কৰিবলৈ সঁকিয়াই দিয়াৰ পাছত বিজেপিয়ে এইদৰে মন্তব্য কৰিছে।

ooooooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooooooo

কাশ্মীৰ উপত্যকাৰ অনন্তনাগ জিলাৰ হলকনগলি এলেকাত আজি দুপৰীয়া সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত দুজন সন্ত্ৰাসবাদী নিহত হয়। শ্ৰীনগৰস্থিত চিনাৰকোৰে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে, সেনা বাহিনীয়ে হলকনগলিৰ সমীপত সন্ত্ৰাসবাদীৰ সন্দেহজনক গতি-বিধি প্ৰত্যক্ষ কৰে আৰু ততালিকে অভিযান আৰম্ভ কৰে। ইয়াৰ পাছতে অঞ্চলটোত আত্ম-গোপন কৰি থকা সন্ত্ৰাসবাদীৰ দলে সেনা বাহিনীক প্ৰত্যক্ষ কৰি নিৰ্বিচাৰে গুলীচালনা কৰে। প্ৰত্যুত্তৰত সেনা বাহিনীয়েও গুলী চলোৱা দুজন সন্ত্ৰাসবাদী নিহত হয়। নিহত সন্ত্ৰাসবাদী দুজনৰ পৰিচয় এতিয়াও জানিব পৰা হোৱা নাই। আমালৈ বাতৰি অহাৰ পৰলৈকে অঞ্চলটোত সেনাৰ অভিযান অব্যাহত আছিল।

ইপিনে, শ্ৰীনগৰ চহৰৰ খনয়াৰ অঞ্চলত সুৰক্ষা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত গুলিয়াগুলী অব্যাহত আছে। সেনা বাহিনীয়ে অঞ্চলটো ঘেৰি ধৰি অভিযান চলোৱাৰ সময়ত এই গুলিয়াগুলীৰ সূত্ৰপাত হোৱা বুলি জানিব পৰা গৈছে।

ooooooooo

সনাতন জাগৰণ মঞ্চই কালি চট্টগামত বাংলাদেশত ইণ্টাৰনেচনেল ছ'চাইটী ফৰ কৃষ্ণ চেতনা (ISKON)ৰ চিন্ময় কৃষ্ণ দাস ব্ৰহ্মচাৰীকে ধৰি ১৯ গৰাকী লোকৰ বিৰুদ্ধে দাখিল কৰা মিছা গোচৰ প্ৰত্যাহাৰ কৰাৰ দাবীত এটা প্ৰতিবাদী সমদল কাৰ্য্যসূচী ৰূপায়ণ কৰে। জাগৰণ মঞ্চই অহা সোমবাৰৰ ভিতৰত গোচৰটো প্ৰত্যাহাৰ নকৰিলে প্ৰতিবাদ কাৰ্য্যসূচী অব্যাহত ৰাখিব বুলি সঁকিয়নি দিয়ে। সনাতন জাগৰণ মঞ্চৰ মুখপাত্ৰ চিন্ময় কৃষ্ণ দাসে বাংলাদেশৰ হিন্দু আৰু অন্যান্য সংখ্যালঘুৰ অধিকাৰৰ পোষকতা কৰি আহিছে। শুকুৰবাৰে বিভিন্ন বাধা নেওচি সনাতন জাগৰণ মঞ্চই বিয়লি চট্টগ্ৰামৰ চেৰাগি পাহাৰ অঞ্চলত আয়োজন কৰা প্ৰতিবাদী সমাৱেশত যোগদান কৰি তেওঁলোকৰ আঠদফীয়া দাবী পুনৰবাৰ উত্থাপন কৰে। সমাৱেশত ভাষণ দি সনাতন জাগৰণ মঞ্চৰ অন্যতম আয়োজক গৌৰাংগ দাস ব্ৰহ্মচাৰীয়ে কয় যে, তেওঁলোকে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী অধ্যাপক মহম্মদ ইউনুছক মিছা গোচৰটো প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়। গোচৰটো প্ৰত্যাহাৰ নকৰিলে স্মাৰক পত্ৰ দাখিল কৰি সমগ্ৰ দেশতে কঠোৰ কাৰ্য্যসূচী বলবৎ কৰিব বুলি ঘোষণা কৰে। তেওঁ লগতে

অভিযোগ কৰে যে, আৰক্ষীয়ে জনসাধাৰণক শান্তিপূৰ্ণ সমাৰেশত যোগদান কৰাত বাধা আৰোপ কৰিছিল। বাংলাদেশৰ দৈনিক কাকত প্ৰথম আলোৰে প্ৰকাশ কৰা অনুসৰি, বন্দৰ চহৰৰ বিভিন্ন স্থানত আইন প্ৰয়োগকাৰী সংস্থাৰ সদস্যসকলে স্থিতি গ্ৰহণ কৰি ৰাইজক সমাৰেশত যোগদান কৰাত বাধা আৰোপ কৰে। শ্ৰীব্ৰহ্মচাৰীয়ে লগতে কয় যে, তেওঁলোকক কাৰাদণ্ডৰ ভাবুকি দিয়া হৈছে যদিও তেওঁলোকে আঠদফীয়া দাবী উপলব্ধি কৰি এই কাৰ্য্যসূচী গ্ৰহণ কৰিছে।

০০০০০০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলৰ আজি দ্বিতীয় দিনা ৯ উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত ১৭১ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ড হাতত এটা উইকেট বাকী থকা অৱস্থাত ভাৰতত‌কৈ সামগ্ৰিকভাৱে ১৪৩ ৰাণত আগবাঢ়ি আছে। ভাৰতৰ হৈ দ্বিতীয় ইনিংছত ৰবীন্দ্ৰ জাদেজাই চাৰিটা আৰু ৰবিচন্দ্ৰন অশ্বিনে তিনিটা উইকেট দখল কৰে। ৱাছিংটন সুন্দৰ আৰু আকাশদীপে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে শুভমন গীলৰ আকৰ্ষণীয় ৯০ আৰু ঋষভ পণ্টৰ ৬০ ৰাণৰ সহায়ত প্ৰথম ইনিংছত ২৬৩ ৰাণ সংগ্ৰহ কৰে আৰু নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ২৮ ৰাণৰ অগ্ৰগতি লাভ কৰে। গীল আৰু ঋষভ পণ্টে ১১৪ টা বলত ৯৬ ৰাণ সংগ্ৰহ কৰি দলৰ স্থিতি শক্তিশালী কৰে। ৱাছিংটন সুন্দৰে ৩৬ টা বলত ৩৮ ৰাণ সংগ্ৰহ কৰি আউট নোহোৱাকৈ থাকে । আলহী দলটোৰ হৈ এজাজ পেটেলে ৫ টা উইকেট লাভ কৰে।

০০০০০০০০০

সমাপ্ত